Women's Cell
North Gauhati College
Guwahati-31, Estd. 2002.
☏ 0361-2690037 (O)
E-mail:

মহিলা কোষ
উত্তৰ গুৱাহাটী মহাবিদ্যালয়
গুৱাহাটী-৩১, স্থাপিত:২০০২ চন।
☏ ০৩৬১-২৬৯০০৩৭ (কাৰ্য্যালয়)

No. ..................................  Date : ..................................

# বিশ্ব স্বাস্থ্য দিৱস উদযাপন: মহাৰজত জয়ন্তী বৰ্ষ - ২০২৩

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ মহিলা কোষ।

উত্তৰ গুৱাহাটী।

তাৰিখ:০৮।০৪।২০২৩

৮ এপ্ৰিল, ২০২৩ তাৰিখ শনিবাৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয় মহিলা কোষৰ উদ্যোগত আৰু আভ্যন্তৰীণ গুণগত মান নিৰূপণ কোষৰ সহযোগত এক স্বাস্থ্য সজাগতামূলক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়।বিশ্ব স্বাস্থ্য দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা এই বক্তৃতানুষ্ঠানৰ আঁত ধৰি আদৰণি ভাষণ প্ৰদান কৰে মহিলা কোষৰ সম্পাদিকা, অধ্যাপিকা শিখা ৰাণী কাকতিয়ে। গুৱাহাটীস্থিত 'এপ'লো এক্সেল কেয়াৰ হস্পিতাল'ৰ মূখ্য খাদ্য বিশেষজ্ঞা শ্ৰীমতী টিনা বেবী বৰুৱাই মূল বক্তৃতা প্ৰদান কৰি সুস্থ জীৱনৰ অধিকাৰী হ'বলৈ সুষম আহাৰৰ প্ৰয়োজনীয়তা, গুৰুত্ব, আধুনিক জীৱনশৈলীত খাদ্যাভ্যাসে পেলোৱা প্ৰভাৱ, খাদ্যাভ্যাসৰ বিসংগতিয়ে সৃষ্টি কৰা বিভিন্ন স্বাস্থ্যজনিত সমস্যা, থলুৱা আৰু পৰম্পৰাগত খাদ্যৰ স্বাস্থ্যসন্মত গুণাগুণ আদি বিষয় সামৰি অতি গুৰুত্বপূৰ্ণ, মনোগ্ৰাহী আৰু অনুপ্ৰেৰণামূলক বিশ্লেষণ আগবঢ়ায়।একেটা অনুষ্ঠানতে 'এপ'লো এক্সেল কেয়াৰ হস্পিতাল ',গুৱাহাটী-ৰ সহকাৰী খাদ্য বিশেষজ্ঞ শ্ৰীযুত অংকুশ আগৰৱালাই বিশেষভাৱে ক্ৰীড়াবিদ সকলৰ বাবে গ্ৰহণযোগ্য খাদ্য - তালিকা সম্পৰ্কে গুৰুত্বপূৰ্ণ বক্তৃতা প্ৰদান কৰে।

বক্তৃতানুষ্ঠানৰ শেষত'এপ'লো এক্সেল কেয়াৰ হস্পিতাল 'ৰ পৰা অহা চিকিৎসক আৰু চিকিৎসা কৰ্মীৰ দল এটিয়ে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ- ছাত্ৰীসকলৰ মাজত বিনামূলীয়া ৰক্তচাপ আৰু শৰ্কৰা পৰীক্ষাও প্ৰদান কৰে। অতি সুফলদায়ক এই কাৰ্যসূচীৰ সফল ৰূপায়ণৰ অন্তত উদ্যোক্তা সংস্থাৰ হৈ মহিলা কোষৰ যুটীয়া সম্পাদিকা ড: মালচী চৌধুৰীয়ে শলাগৰ শৰাই আগবঢ়ায়।

সভাপতি
অনুপম ঠাকুৰীয়া
President
Women's Cell
North Gauhati College

সম্পাদিকা
শিখা ৰাণী কাকতি
Secretary
Women's Cell
N.G. College, Ghy-31